# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে তিনিচুকীয়া জিলাতো গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সমষ্টিসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। সেই অনুসৰি নিৰ্ধাৰিত নীতি-নিয়মৰ ভিত্তিত জিলা প্ৰশাসনে যুগুতোৱা নতুন সমষ্টিৰ খচৰা তালিকাখন জিলা আয়ুক্তগৰাকীয়ে সংবাদমেলযোগে প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে কয় যে, নতুন নীতি অনুসৰি এটা উন্নয়ন খণ্ড বা আঞ্চলিক পঞ্চায়ত সমষ্টি একাধিক বিধানসভা সমষ্টিত ভাগ হ'ব নোৱাৰে। তদুপৰি জিলা ভিত্তিক খণ্ড আৰু গাঁও পঞ্চায়তৰ সংখ্যাৰো তাৰতম্য হ'ব নোৱাৰে। সেই অনুসৰি শদিয়া সমষ্টিৰ অন্তৰ্গত শদিয়া আৰু ছৈখোৱা আঞ্চলিক পঞ্চায়ত বা উন্নয়ন খণ্ড থাকিব। ডুমডুমা সমষ্টিৰ অন্তৰ্গত ডুমডুমা উন্নয়ন খণ্ড নামেৰে নতুন খণ্ড গঠন কৰা হ'ব। একেদৰে ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ উন্নয়ন খণ্ড, মাকুম সমষ্টিৰ অন্তৰ্গত মাকুম উন্নয়ন খণ্ড, মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত মাৰ্ঘেৰিটা উন্নয়ন খণ্ড, তিনিচুকীয়া সমষ্টিৰ অন্তৰ্গত ইটাখুলি উন্নয়ন খণ্ড হিচাপে পুনৰ গঠন কৰি পূৰ্বৰ কেইবাটাও খণ্ডৰ নাম আৰু সীমাৰ পৰিৱৰ্তনৰ প্ৰস্তাৱ দিয়া হৈছে। অৱশ্যে পুনৰ গঠনৰ পাছতো জিলাখনত উন্নয়ন খণ্ড পূৰ্বৰ দৰে ৭টা আৰু গাঁও পঞ্চায়তৰ সংখ্যা ৮৫ খন হৈ থাকিব। বিভিন্ন সাল-সলনিৰ খচৰা প্ৰস্তাৱ সন্দৰ্ভত কাৰোবাৰ ওজৰ-আপত্তি বা পৰামৰ্শ থাকিলে ২০ ছেপ্তেম্বৰৰ ভিতৰত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব। অহা ২৩ৰ পৰা ২৫ ছেপ্তেম্বৰৰ ভিতৰত জিলা ভিত্তিক ৰাজহুৱা শুনানী গ্ৰহণ কৰা হ'ব আৰু ২৭ ছেপ্তেম্বৰত চূড়ান্ত জাননী জাৰি কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে লগতে ৰাইজক নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰামৰ্শ বা আপত্তি আদি থাকিলে লিখিতভাৱে দাখিল কৰিবলৈ আহ্বান জনাইছে।

0000000

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত এন পি এছ বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ প্ৰচাৰ-পত্ৰিকা উন্মোচনৰ লগতে নতুন নাবালক উপভোক্তাসকলক স্থায়ী অৱসৰ একাউণ্ট নম্বৰ - প্ৰাণ কাৰ্ড বিতৰণ কৰে। এই আঁচনিৰ জৰিয়তে শিশু উপভোক্তাসকলক প্ৰাণ নম্বৰেৰে এন পি এছ বাৎসল্যত অন্তৰ্ভুক্ত কৰা হ'ব। নতুন দিল্লীত আয়োজিত এই কাৰ্যসূচীৰ সমান্তৰালভাৱে সমগ্ৰ দেশৰ প্ৰায় ৭৫টা স্থানত একে সময়তে এই মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে দিল্লীৰ কাৰ্যসূচীৰ সৈতে জড়িত হোৱা অঞ্চলসমূহত নতুন নাবালক উপভোক্তাসকলে যোগদান কৰাৰ লগতে তেওঁলোকক প্ৰাণ সদস্যপদো বিতৰণ কৰা হয়। এই আঁচনিৰ জৰিয়তে অভিভাৱকসকলৰ পেন্সন একাউণ্টত বিনিয়োগেৰে সন্তানৰ ভৱিষ্যত সুৰক্ষাৰ সুবিধা আগবঢ়োৱা হ'ব। এই আঁচনিৰ যোগেদি অভিভাৱকসকলে সন্তানৰ নামত বছৰি এহেজাৰ টকাকৈ বিনিয়োগ কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰে এন পি এছ বাৎসল্য আঁচনিৰ জৰিয়তে সকলোৰে বাবে দীৰ্ঘম্যাদী বিত্তীয় পৰিকল্পনা আৰু নিৰাপত্তাৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতা প্ৰকাশ কৰিছে।

00000000

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিত চিৰাং জিলাত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। ছিদলী বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ বাবে আজি জিলাখনৰ চালিগাঁৱত থকা শোধনাগাৰৰ প্ৰেক্ষাগৃহত বিজেপি, ইউ পি পি এল আৰু অগৰ মিত্ৰজোঁটৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰী অশোক সিংঘল, জয়ন্ত মল্লবৰুৱা, উৰ্খাও গৌৰা ব্ৰহ্মৰ লগতে ইউ পি পি এলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অগপ সাংসদ ফণীভূষণ চৌধুৰী, ইউ পি পি এল সাংসদ ৰণগৌৰা নাৰ্জাৰী, জয়ন্ত বসুমতাৰীকে ধৰি তিনিওটা দলৰ বহুকেইগৰাকী নেতা উপস্থিত থাকে। বৈঠকত সমাগত ছিদলী বিধানসভা উপ নিৰ্বাচনৰ ৰণকৌশল আৰু কাম-কাজ সন্দৰ্ভত আলোচনা হয়। মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই অনাগত উপ নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বেই তিনিওটা দলৰ কৰ্মীসকলক নিৰ্বাচনী প্ৰচাৰৰ বাবে সাজু হ'বলৈ আহ্বান জনায়।

0000000

মানস ৰাষ্ট্ৰীয় উদ্যানৰ মূল প্ৰৱেশদ্বাৰ অহা ১ অক্টোবৰত পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ব। মানস ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক ড° চি ৰমেশে এখন জাননীযোগে এই কথা সদৰি কৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় তথা ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকাৰী বিধি অনুসৰি মানস ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই ঘোষণা কৰে। ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে পুনৰ জাননী নিদিয়া পৰ্যন্ত ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰৱেশদ্বাৰ পৰ্যটকৰ বাবে মুকলি থাকিব। উল্লেখযোগ্য যে যোৱা ২০ জুনত বাৰিষাৰ পৰিপ্ৰেক্ষিতত প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে বন্ধ কৰা হৈছিল। অহা ১ অক্টোবৰত উদ্যানখন মুকলি কৰাৰ পাছতে পৰ্যটকে উদ্যানখনত জীপ চাফাৰী, হাতী চাফাৰী,

ৰিভাৰ ৰাফ্‌টিং আদি উপভোগ কৰিব পাৰিব। অৱশ্যে প্ৰতি মঙলবাৰে পূৰ্বৰ দৰে উদ্যানখনত পৰ্যটন সম্পৰ্কীয় কাৰ্যকলাপ বন্ধ ৰখা হ'ব।

০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি কামাখ্যা অঞ্চলত বাঘৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে অত্যাধুনিক পাৱাৰ ফেন্সিং দিয়া হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। কামাখ্যা গাঁও হৰিমন্দিৰ প্ৰাংগনত বাঘৰ উপদ্ৰৱ সন্দৰ্ভত স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বাঘৰ উপদ্ৰৱৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক আৰ্থিক সকাহ দিয়াৰ বাবে WWFৰ তৰফৰ পৰা ক্ষতিগ্ৰস্ত ৰাইজক প্ৰথম পৰ্যায়ৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে পৰৱৰ্তী সময়তো ৰাইজক সকাহ দিবলৈ ব্যৱস্থা লোৱা হৈছে। তদুপৰি বন্যপ্ৰাণীৰ উপদ্ৰৱৰ পৰা অঞ্চলটো সুৰক্ষিত কৰি ৰখাৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

ওদালগুৰি জিলাৰ টংলা মহাবিদ্যালয়ত আজি বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ড° বাশীৰাম বড়ো সোঁৱৰণী ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰসকল এই ছাত্ৰাবাসত থাকি উপকৃত হ'ব বুলি সদস্যগৰাকীয়ে মন্তব্য কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে ইউ পি পি এলৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**